নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ২৫০ মঙলবাৰ ৮ শাওণ ১৯৪৫ শক ২৫ জুলাই ২০২৩ চন ASOMIYA KHABAR JORHAT TUE

## কানৈ মহবিদ্যালয়ত ‘সৃজনীশীল সাহিত্যৰ চৰ্চা’ শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুলাই ঃ** ডিব্ৰুগড় লেখিকা সমাজ আৰু ডিএইছএছ কানৈ মহাবিদ্যালয়ৰ উদ্যোগত ১৬ জুলাইত শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত সৃজনীশীল সাহিত্যৰ চৰ্চা শীৰ্ষক এক মননশীল বক্তৃতানুষ্ঠান আৰু কবিতা আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত হয়। অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে সমাজত সৃষ্টিশীল, সৃজনীশীল, কলাত্মক দৃষ্টিভংগীৰ মানুহৰ বাৰুকৈ অভাৱ ঘটিছে। সমাজত সৃষ্টিশীল মনৰ মানুহ সমাজত যিমানেই বৃদ্ধি হ’ব, সিমানেই সমাজ সুন্দৰ হ’ব। কেৱল সাহিত্যতে নহয়, চিকিৎসা, বিজ্ঞান, শিক্ষা, অৰ্থনীতি সকলোতে সৃজনীশীল মন এটাৰ প্ৰয়োজন হয়। সাহিত্য এক সুকুমাৰ কলা। সাহিত্যত কাহিনী, চৰিত্ৰ, পৰিৱেশ, বিষয়বস্তু, দৃষ্টিভংগী, শৈলী, প্ৰতীকবাদ, সুৰ, চিত্ৰকল্প আৰু ভাষা ব্যৱহাৰত অভিনৱত্ব থাকিলেহে তেনে সাহিত্যই সৃজনীশীল সাহিত্যৰ মৰ্যাদা লাভ কৰে। সৃজনীশীল সাহিত্যৰ বাবে বাস্তৱ আৰু কল্পনা দুয়োৰে সুন্দৰ সমাহাৰ ঘটিব লাগিব। তেতিয়াহে তেনে সাহিত্যই চিৰদিন পাঠকৰ পৰা জনপ্ৰিয়তা লাভ কৰে বুলি তেওঁ কয়। ইয়াৰ পাছতে অনুষ্ঠানটো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° স্বাতী কিৰণে সৃজনীশীল সাহিত্যৰ চৰ্চা সম্পৰ্কত বক্তৃতা প্ৰদান কৰে। লেখিকা সমাজৰ সভানেত্ৰী মধুমিতা দত্তই পৌৰোহিত্য কৰা সভাখনৰ আঁত ধৰে সম্পাদিকা অনিতা গগৈয়ে। কবিতা আবৃত্তি কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নাট্যকাৰ, কবি অসীম শৰ্মা। অনুষ্ঠানত জিলাখনৰ শতাধিক লোক উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## মৰাণ সমষ্টি...

## নিৰ্বাচন ...

**আমাৰ খবৰ, মৰাণ, ২৪ জুলাই ঃ** দেশৰ নিৰ্বাচন আয়োগে সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ বাবে প্ৰকাশ কৰা খচৰাত ‘মৰাণ’ সমষ্টিৰ নাম ‘খোৱাং’ কৰিবলৈ ১১ জুলাইত অসম চৰকাৰে পৰামৰ্শ আগবঢ়োৱাক কেন্দ্ৰ কৰি মৰাণত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বুৰঞ্জী প্ৰসিদ্ধ ‘মৰাণ’ সমষ্টিৰ নাম খোৱাঙলৈ সলনি কৰিলে অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীক চৰম অপমান কৰা হ’ব বুলি উল্লেখ কৰি মৰাণ নাগৰিক সমাজে ডিব্ৰুগড় জিলাৰ আয়ুক্তৰ

## ‘কৰম পূ...